

# ৰেঙণি

# 2023

অসমীয়া বিভাগৰদ্বাৰা প্ৰকাশিত আলোচনী


দ্য অসম ভেলী স্কুল

বালিপাৰা,শোণিতপুৰ - ৭৮৪১০১

অসম



# কবিতা

# ৰঙা গোলাপ

বেদকুণাল দমাই
পঞ্চম শ্ৰেণী

এপাহী ৰঙা গোলাপ
কিমান যে মোৰ প্ৰিয়,
সেই কাঁইটেৰে ভৰা গছজোপাক মই সুধো
তোমাক বাৰু কোনে সুৰক্ষা দিয়ে ?
পৰা হলে তোমাক মই আনিলোহেতেন ছিঙি
ৰাখিলোহেঁতেন মোৰ লগতে সদায় ।
তুমি যে কিমান ধুনীয়া
জানানে বাৰু মোৰ ৰঙা গোলাপ ?
নীল আকাশৰ তলত
বতাহত তোমাৰ নাচোনৰ পৰশ ।
মোৰ মন হয় থৌকি-বাথৌ
পাবলৈ তোমাক মোৰ ৰঙা গোলাপ।

# কৰা আইতাৰ মৌ-মিঠা মাত

তন্ময়ী বুঢ়াগোঁহাই
অষ্টম শ্ৰেণী

ককা আৰু আইতাৰ মোৰ বৰ মৰম লগা,
দুয়োজনৰে মৌ মিঠা মাত শুনি ভাল লগা ।
খুন্দনাত খাই তামোল খুন্দি,
মুখেৰে ককাৰ বৈ যায় সেলেঙি।
ককাৰ কোচত উঠিলে নানা কথা কয়,
তামোল খাই খাই আইতাই সাধু কথা কয়।
সাধু শুনি মই আকৌ বৰ ভাল পাওঁ,
পুঁৱাই উঠিয়েই সেয়ে আইতাৰ কোলাত সোমাও।
ককা আইতাৰ মৌমিঠা মাত শুনিবলৈ পাওঁ,
দুয়োৰে মৰম আদৰ কেতিয়াও পাহৰি নাযাও ।

# মোৰ মা

কিয়ান কাভিচ দেউৰী ভৰালী
তৃতীয় শ্ৰেণী

মোৰ মা, মোৰ মৰমৰ মা,
তেওঁ মোক দিয়ে দুগালত চুমা ।
পুৱাতে উঠি তেওঁ
চোতাল ঘৰ সাৰে.
তাৰ পিছত গা-পা ধুই প্ৰাৰ্থনা কৰে ।
পাকঘৰত মায়ে জলপান বনায়,
সদায় মোক মৰমেৰে দিয়ে খুৱাই ।
মোক তেওঁ স্কুললৈ আগবঢ়াই দিয়ে,
আবেলি পুনৰ আহি ঘৰলৈ নিয়ে ।
ৰাতি মোক সাধু কয় বিচনাত বহি,
তেতিয়াহে মোৰ সদায় আহে টোপনি ।

# ধুনীয়া ফুলবোৰ

নিশান্ত শইকীয়া
দ্বিতীয় শ্ৰেণী

ফুলবোৰ ধুনীয়া,
ৰঙা বগা আৰু গোলপীয়া ।
শাৰী শাৰী কৈ ৰুওঁ,
আবেলি পানী দিওঁ ।
ফুলৰ গোন্ধই মন জুৰে,
দেখিলে উলাহে নধৰে ।
ফুলবোৰ চিঙিব নেলাগে,
সযতনে ৰাখিবহে লাগে ।

# সাধু আৰু প্ৰবন্ধ

# অতুলৰ সপোন

হৰ্ষিত দাস
নৱম শ্ৰেণী

অতুল ৰংপুৰ গাঁৱৰ নিবাসী । সিহঁত খুবেই দুখীয়া আছিল ।এবেলা খাই এবেলা লঘোণেই কটাইছিল । অতুলৰ দেউতাকে আনৰ ঘৰত খেতি-বাতি কৰিছিল । খেতি কৰি পোৱা ধনেৰে ঘৰখন চলাটো হৈছিল বৰ কষ্টকৰ। অতুলে গাঁৱৰ চৰকাৰী বিদ্যালয়খনতে পঢ়ে । তাৰ পঢ়াৰ প্ৰতিও বেচ আগ্ৰহ আছিল। কিন্তু তাৰ ককায়েক বিপুলৰ পঢ়াৰ প্ৰতি আগ্ৰহ নাছিল। সেয়েহে সি দুটা বছৰ পৰীক্ষা বেয়া কৰি অতুলৰ লগ পালে। দুয়ো ভায়েক-ককায়েকে আঢ়ৈমান বজাত স্কুলৰপৰা লৰালৰিকৈ আহি মাকে বাঢ়ি দিয়া ভাতকেইটা খাই খেতিপথাৰলৈ দৌৰে। বছৰৰ সময়ে সময়ে দুয়ো ভায়েক-ককায়েকে বিভিন্ন শক-পাচলিৰ খেতিও কৰে। এনেদৰেই ভায়েক-ককায়েক দুয়োজন দশম শ্ৰেণীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিলে। পৰীক্ষা শেষ হোৱাৰপৰা ৰিজাল্ট দিয়ালৈকে থকা এইসময়খিনিত অতুলে ৰংপুৰ গাঁৱৰ লৰা-ছোৱালীখিনিক টিউচন লৈ উপাৰ্জন কৰিবলৈ ধৰিলে। এনেদৰে কেনেকৈ তিনিমাহ পাৰ হৈ ৰিজাল্টৰ দিন পালেহি অতুলে গমেই নাপালে। ৰংপুৰ গাঁৱত সেইদিনা উখল-মাখল । কিয়নো গাঁৱৰ তেইশটা লৰা-ছেৱালীয়ে এইবাৰ দশম শ্ৰেণীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছে। সেইদিনা অতুলৰ বৰ ভয় লাগিছিল। সময়ত ৰিজোল্ট আহিল। অতুল ছটা বিভাগত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। লগতে সি গাওঁখনৰ ভিতৰতেই প্ৰথম হৈছে। বিপুল কিন্তু তৃতীয় বিভাগতহে উত্তীৰ্ণ হল। এইবাৰ আহিল আচল যুদ্ধখন। ঘৰৰ অৱস্থা ভাল নোহোৱাৰ বাবে তাৰ ভয়ো লাগিছিল। কিন্তু বিপুলে তাক সাহস দি কলে যে ঘৰ চলোৱাৰ দ্বায়িত্ব সি লৈছে । বিপুলৰ কথাত সাহস পাই অতুলে নিজৰ পঢ়াৰ দ্বায়িত্বৰ তথা খৰচ গাঁৱৰ লৰা-ছোৱালীখিনিক টিউচন কৰি উলিয়াবলৈ সক্ষম হল। দুবছৰৰ পিছত অতুলে বিজ্ঞান শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ত পৰৱৰ্তী অধ্যয়নৰ বাবে গল। অতুলৰ জ্ঞান বুদ্ধি সাহসিকতাৰ বাবে সকলোৱে মৰম কৰে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ পিছতেই অতুলে চাকৰিত যোগদান কৰে। তাৰ বহুদিনীয়া সপোন যেন আজি সফল হল। ঘৰলৈ আহি ককায়েকক তাৰ পঢ়াৰ প্ৰতি কৰা ত্যাগৰ বাবে ধন্যবাদ জনোৱাৰ লগতে ককায়েককো পঢ়িবৰ বাবে কয়। অৱশেষত বিপুলেও পঢ়া শেষ কৰি আৰক্ষী বিভাগত যোগদান কৰি সমাজৰ বাবে সেৱা কৰিবলৈ লয়। দুয়োজন ভাই- ককাই গাওখনৰ বাবে আদৰ্শ হৈ ৰল।

# বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু

নয়নিকা বৰা
সপ্তম শ্ৰেণী

এঘৰ মানুহৰ ঘৰত এটা কুকুৰ আৰু এজনী মেকুৰী আছিল। কুকুৰ আৰু মেকুৰী দুয়োটাই ভিন্ন প্ৰকৃতিৰ। মেকুৰীয়ে সদায় মানুহৰ লগত ভিতৰত খায় আৰু শোৱে, কিন্তু কুকুৰে সদায় বাহিৰত খায় আৰু পহৰা দি থাকে। মেকুৰীয়ে মানুহৰ লগত একেলগে ভিতৰত খোৱা-শোৱা কৰে দেখি কুকুৰটোৰ পেটে পেটে বৰ খং উঠে। সেয়েহে বাহিৰলৈ ওলালেই দুয়োটাৰ কাজিয়া হয়। কাজিয়াত কিন্তু মেকুৰীজনীৰেই জয় হয়। কাৰণ কুকুৰটোৱে খঙত কামুৰিবলৈ খেদি গলে মেকুৰীজনীয়ে বোন্দা চৰ দি গছত উঠেগৈ । কুকুৰটোৰ তেতিয়া বহুত বেছি খং উঠে। সেইদৰেই দুয়োটাৰ মাজত শত্ৰুতা বাঢ়ি গৈ থাকে।  বাৰিষা কাল ধাৰাষাৰ বৰষুণৰ ফলত বানপানী হল। ঘৰ-দুৱাৰ বাট-পদূলি সকলো বানত বুৰ গল। মানুহখিনিয়ে গাওঁ-ভূইলৈ গৈ কৰবাৰ ওখ ঠাইত আশ্ৰয় ললেগৈ। কিন্তু কুকুৰ আৰু মেকুৰী তাতেই থাকি গল। কুকুকটোৱে সাঁতুৰিব জানে যদিও মেকুৰী তাতে থকা দেখি সিও গৃহস্থৰ লগত নগল। কাৰণ সিহঁত জন্তু যদিও মনত মৰমৰ ভাৱ আছে। মেকুৰীয়ে আকৌ সাঁতুৰিব নাজানে পানীত পৰিলেও সিহঁত মৰি যায়। গতিকে কুকুৰটোৱে মেকুৰীজনীক তাৰ পিঠিত উঠাই সাঁতুৰি মানুহ থকা ঠাইলৈ লৈ গল। দুয়ো দুয়োৰে শত্ৰু যদিও বিপদত কিন্তু সিহঁতে ইটোৱে সিটোক এৰি নিদিলে । তেনেকৈয়ে কুকুৰটোৱে মেকুৰীজনীৰ প্ৰাণ বচালে। কথাতেই কয় নহয় বিপদত সাপে-বেঙেও একেলগে থাকে । গতিকে বিপদত কেতিয়াবা শত্ৰুও মিত্ৰ হব পাৰে। গতিকে বিপদ বন্ধুহে প্ৰকৃত বন্ধু।

# মোৰ মৰমৰ কুকুৰ দুটা

দৰ্শিল কলিতা
পঞ্চম শ্ৰেণী

মই পোহনীয়া জন্তু বৰ ভাল পাওঁ। সেইকাৰণে মই মোৰ মা-দেউতাক কৈ দুটা কুকুৰ ঘৰলৈ লৈ আহিলো। সিহঁত দুটাই দেখিবলৈ বৰ মৰমলগা। মই সিঁহত দুটাৰ নাম ৰাখিলো মেক্স আৰু মেক্সী। তাহাত দুটাক ৰাখিবৰ বাবে এটা ঘৰ বনোৱালো। লগতে দুডাল বেল্ট, দুটা বাটি আৰু কাঁহীও কিনিলো। মা-দেউতাই তাহাত দুটাৰ খোৱাৰ দ্বায়িত্ব মোক দিলে। মোৰ কুকুৰ দুটা দেখিবলৈ ধুনীয়া, এটা বগা আৰু এটা মটীয়া । কুকুৰ দুটাৰ নেজ দুডাল মোৰ মৰম লাগে। দেখিবলৈ গোল ফুলৰ দৰে লাগে । সিহঁত দুটাই দিনৰ দিনটো বৰ ধুনীয়াকৈ খেলি থাকে । মেক্স আৰু মেক্সী অহাৰ পিছত আমাৰ ঘৰৰ সদস্যৰ সংখ্যা বাঢ়ি গল। মই সদায় স্কুলৰপৰা অহাৰ পাছত তাহাত দুটাৰ লগত খেলো। কিন্তু মই হোষ্টললৈ অহাৰ বাবে আজিকালি তাহাত দুটাৰ লগত খেলিবলৈ নোপোৱা হলো। বন্ধত হোষ্টলৰপৰা ঘৰলৈ গলে মেক্স আৰু মেক্সীয়ে মোৰ গাৰ ওপৰত জপিয়াই উঠে আৰু দিনটো মোৰ লগত খেলে। তাহাত দুটাৰ বাবে আমাৰ ঘৰখনত সুৰক্ষিত হৈ আছে। অচিনাকী মানুহ দেখিলে তাহাত দুটাই ভুকি ভুকি আমাক আগজাননী দি সচকিত কৰি তোলে। কুকুৰ দুটা বৰ প্ৰভুভক্ত । হোষ্টলত থাকিলে মোৰ তাহাত দুটালৈ বৰ মনত পৰে।

# মোৰ জীৱনৰ লক্ষ্য

সমহিতা শৰ্মা
সপ্তম শ্ৰেণী

জীৱনত কোনো লক্ষ্য নথকা মানুহ গন্তব্য স্থান নোহোৱা জাহাজৰ নিচিনা। আমাৰ সকলোৰে লক্ষ্য থকাটো অতি গুৰুত্বপূৰ্ণ,কাৰণ আমাক জীৱনৰ এটা উদ্দেশ্য বিচাৰি উলিওৱাত সহায় কৰে। সকলোৰে লক্ষ্য একে নহব পাৰে কিন্তু সকলোৰে এটা লক্ষ্য থকা উচিত। মোৰ লক্ষ্য এখন ৰেষ্টুৰেন্ট খোলাৰ । কাৰ, মই ৰন্ধা-বঢ়া কৰি বৰ ফাল পাওঁ। মোৰ ৰেষ্টুৰেন্টখনৰ সমগ্ৰ বিশ্বতেই এডাল চেইন খুলিব বিচাৰো। সকলোৰে প্ৰতিভা বা লক্ষ্য একে নহয়। গতিকে নিজৰ লক্ষ্যৰ পিছত খেদি ফুৰা ইজনে -সিজনক সমৰ্থন কৰাটো অতি প্ৰয়োজনীয় আৰু এই প্ৰক্ৰিয়াটোত ধৈৰ্য্য হেৰুৱাব নালাগে ।

# গান

শ্বরাহত চবীৰ আনচাৰী
অষ্টম শ্ৰেণী

গান মোৰ বহুত ভাল লাগে। গানে আমাক শান্তি দিয়ে । যেতিয়া মোৰ দুখ লাগে মই গান শুনো আৰু মোৰ মনটো ভাল লাগি যায়। বহুত মানুহে গান শুনি নাচে আৰু খুব ফুটি কৰে। গানে সকলোৰে মনত আনন্দ দিয়ে । মোৰ প্ৰিয় গান হৈছে টঃঞ্জংফ্ল | মই এইটো গান বহুত ভাল পাও। যি মানুহে গান শুনে তেওঁৰ মানসিক চাপ সদায় কমি থাকে। আজি কালি বিভিন্ন বেমাৰৰ চিকিৎসাৰ বাবে মিউজিক থেৰাপিও কৰা হয়। গান আৰু সাহিত্য ভাল নোপোৱা মানুহ পশুৰ নিচিনা। সেয়ে আমি সদায় গান শুনিব লাগে।

# মোৰ প্ৰিয় ফুল

টানিশা চিয়োটিয়া
অষ্টম শ্ৰেণী

মোৰ প্ৰিয় ফুল গোলাপ। গোলাপ ফুল বৰ ধুনীয়া। গোলাপ ফুলৰ গোন্ধটোও মোৰ বৰ ভাল লাগে। ৰঙা, বগা, গোলপীয়া, হালধীয়া ইত্যাদি বিবিধ ৰঙৰ গোলাপ ফুল আছে। সুন্দৰ সুন্দৰ গোলাপৰ ফুলেৰে ফুলৰ বুকেবোৰ সজালে বৰ ভাল দেখি। ভাৰতৰ বিভিন্ন ঠাইত গোলাপৰ বাগিছা আছে। কোনো উৎসৱ-পাৰ্বনত মানুহক গোলাপ ফুলেই উপহাৰ হিচাপে দিয়া হয়। বিয়া-বাৰু আৰু পূজা-পাতল আদিত গোলাপ ফুলৰ উপৰিও আৰু অনেক ফুলৰ ব্যৱহাৰ হয়। কিন্তু মোৰ প্ৰিয় ফুল গোলাপ।

# ঘড়ী

হৃতবী বগৰীয়া
অষ্টম শ্ৰেণী

আমি সময় চাবলৈ ঘড়ী ব্যৱহাৰ কৰো। ঘড়ী আমাৰ জীৱনৰ আৱশ্যকীয় অঙ্গ। ঘড়ীত বেলেগ বেলেগ ধৰণৰ তিনিডাল কটা থাকে । এডালতকৈ আনডাল সৰু। আমি কেতিয়াও সময় অবাবত নষ্ট কৰিব নালাগে। সময় কেতিয়াও ৰৈ নাথাকে। আমি সময়ৰ সদব্যৱহাৰ কৰা উচিত। যোৱা সময় কেতিয়াও উভতি নাহে। দিনটোত কোনটো কাম কেতিয়া কৰিম তাৰ এখন ভাল ৰুটিন বনাই লোৱা উচিত। তেতিয়াহে কামবোৰ নিয়াৰিকৈ সময়মতে শেষ কৰিব পাৰিম আৰু আমি জীৱনত সফলতা লাভ কৰিব পাৰিম।

# পানী

ইক্ষা শইকীয়া
অষ্টম শ্ৰেণী

আমি জীয়াই থাকিবলৈ পানী বহুত প্ৰযোজনীয় । পানী নহলে আমি একোৱেই কৰিব নোৱাৰিম। আমাৰ জীৱনৰ প্ৰতিটো খোজতেই পানীৰ বৰ প্ৰয়োজন। আমি মানুহ, জীৱ-জন্তু, গছ-লতা আদি সকলো জীয়াই থাকিবৰ বাবে পানীৰ বৰ আৱশ্যক। পানীৰ ব্যৱহাৰ কিদৰে কৰিব লাগে আমি সকলোৱে জনা উচিত। আমি যৰ পৰা পানী পাও সেইবোৰ সদায় পৰিষ্কাৰ কৰি ৰাখিব লাগে। আমি পুখুৰী, নদী আদিৰপৰা পানী পাওঁ। পানীৰ কোনো ৰঙ নাথাকে। আমি সকলোৱে এদিনত ৬-৭ গিলাচ পানী খাব লাগে। আমাৰ ৰাষ্ট্ৰীয় ফুল পদুম পানীত ফুলে।

# বিজ্ঞজনে কি কৈছে ?

০০ আনবোৰ নিচাই মানুহক তিলে তিলে ধ্বংস কৰে, কিন্তু কিতাপৰ নিচাই মানুহক নিত্য নৱৰূপত সৃষ্টি কৰে। প্ৰত্যেকখন ভাল কিতাপে মানুহৰ মনৰ দিগন্ত আগতকৈ কিছু বহল কৰি দিয়ে, তেওঁৰ চেতনা আগতকৈ কিছু প্ৰসাৰিত কৰি দিয়ে, তেওঁৰ কল্পনা আগতকৈ কিছু সমৃদ্ধ কৰি দিয়ে।

**- হোমেন বৰগোহাঞি**

**00** আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়। যাৰ দ্বাৰা মানসিক বল বুদ্ধি হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো।

**- স্বামী বিবেকানন্দ**

**00** কাৰো অন্যায় নকৰিবা, মিছা কথা নকবা, হিংসা নকৰিবা ।

**- বুদ্ধদেৱা**

**00** আনক আঘাত দিলে, সেই আঘাত এদিন নিজে ভোগ কৰিবা

**- তুলসী দাস**

# কথাৰ পাকতেই...

## একতাই পৰম বল

ইয়াৰ দ্বাৰা বুজাব খুজিছো যে যিকোনো কামেই অকলে কৰিবলৈ গ'লে অতি কষ্টসাধ্য হোৱাৰ লগতে বল তথা সময়ৰ যথেষ্ট প্ৰয়োগ কৰিবলগীয়া হয়। এডাল গধুৰ কাঠ অকলে দাঙিব পৰা অসাধ্যকৰ কিন্তু কেইবাজনে লগ লাগি ঐক্যবদ্ধভাৱে দাঙি দিয়াটো একেবাৰে সহজ কথা। প্ৰত্যেকে অকলে কাম কৰাতকৈ একেলগে কৰিলে কামটো কম সময়ত হোৱাৰ লগতে সুচলভাৱেও হয় গতিকে একতাৰ নিচিনা পৰম বল।

## কটাৰীতকৈ কলম চোকা

কটাৰীৰ ধাৰ আছে। ইয়াৰে কাৰেবাক আঘাত কৰিলে তেওঁ বেয়াকৈ দুখ অনুভৱ কৰিব। সেই আঘাতত সাময়িকভাৱে ঔষধ আদি ব্যৱহাৰ কৰি উপশম পাব, সেই আঘাতৰ পৰা আৰোগ্য লাভ কৰিব। কিন্তু কলমে যদি কাৰোবাক এবাৰ আঘাত কৰিছে সেই আঘাত তেওঁ জীৱনৰ বাবে পাহৰিব নোৱাৰিব; অৰ্থাৎ কটাৰীৰ আঘাতৰ পৰা এজন মানুহ বাচি থাকিব পাৰিলেও লিখনিৰ দ্বাৰা এজন মানুহৰ দুৰ্নাম, অপযশআদি প্ৰচাৰ কৰি জনসমাজৰ অস্তিত্ব একেবাৰে নিঃশেষ কৰিব পাৰি। সেই কাৰণে কটাৰীতকৈ কলম চোকা বুলি কোৱা হয়।

## লোকলৈ বুলি হুল পাতোঁতে আপুনি

মৰে ফুটি অকাৰণতে কেতিয়াবা আনৰ যদি অপকাৰ কৰিবলৈ চাওঁতে কেতিয়াবা গম নেপোৱাকৈ নিজৰো অপকাৰ হ'ব পাৰে ; গতিকে কেতিয়াও আনৰ অহিত চিন্তা কৰিব নাপায়।

## এবাৰ সাপে খুঁটিলে কেঁচুলৈকো ভয়

সাপ এবিধ বিষাক্ত জীৱ কিন্তু বিষাক্ত নহয়। কিন্তু এবাৰ সাপে খুঁটিলে আমাৰ কেঁচুলৈকো ভয় লাগে। তেনেদৰে আমাৰ জীৱনতো অকস্মাতে কেতিয়াবা ডাঙৰ ঘটনা ঘটি যায়। যি ঘটনাই আমাৰ জীৱনত বহুত প্ৰভাৱ পেলাব পাৰে। সেই বাবে এবাৰ অঘটন ঘটিলে পিছলৈ সাধাৰণ ঘটনাইও আমাৰ ডাঙৰ বিপদ ঘটাব বুলি সন্দেহ কৰা হয়।

# প্ৰকাশক - অসমীয়া বিভাগ

মুখ্য সম্পাদক –আত্ৰেয়ী নেওঁগ

অলংকৰণ - আত্ৰেয়ী নেওঁগ

তত্বাৱধায়িকা
ড° পৰিণীতা গোস্বামী
প্ৰাৰ্থনা বৰাফুকন

কাৰিকৰী উপদেষ্টা – গোপাল সামন্ত
প্ৰশাসক, তথ্য আৰু প্ৰযুক্তিবিদ্যা৷

পৃষ্ঠপোষক – অমিত জুগ্ৰাণ
প্ৰধান  শিক্ষক

দ্যা অসম ভেলী স্কুল,
বালিপাৰা - ৭৮৪১০১, শোণিতপুৰ - অসম